# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-08-2026
**Time:** 07-05 Hrs

## *Assamese Morning Bulletin*
## Headlines

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কাইলৈ লালকিল্লাৰ প্ৰাচীৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব আৰু ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

৩। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ অমৃত উদ্যান দেওবাৰৰ পৰা জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব।

৪। হুলস্থূলীয়া পৰিস্থিতিৰ বাবে অসামৰিক বিমান পৰিবহন খণ্ডৰ সৈতে জড়িত বিষয়সমূহক লৈ সংসদত আলোচনা কৰিব পৰা নগ'ল বুলি অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডুৱে মন্তব্য কৰিছে।

আৰু

৫। আজি বিভাজন বিভীষিকা স্মৃতি দিৱস।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীয়ে সন্ধিয়া ৭ বজাৰ পৰা ৰাষ্ট্ৰপতিৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰিব। দূৰদৰ্শনৰ সকলো চেনেলযোগেও এই ভাষণ সম্প্ৰচাৰ কৰা হ'ব। হিন্দী আৰু ইংৰাজী ভাষণৰ ঠিক পাছতেই দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহে নিজ নিজ আঞ্চলিক ভাষাত ৰাষ্ট্ৰপতিৰ ভাষণ সম্প্ৰচাৰ কৰিব। আকাশবাণীয়ে নিশা চাৰে ৯ বজাত ৰাষ্ট্ৰপতিৰ ভাষণৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ অমৃত উদ্যান দেওবাৰৰ পৰা জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ বাৰ্ষিক গ্ৰীষ্মকালীন কাৰ্যসূচীৰ অংশ হিচাপে ১৫ ছেপ্তেম্বৰ পৰ্যন্ত এমাহৰ বাবে পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ বিনামূলীয়াকৈ এই উদ্যান মুকলি ৰখা হ'ব। অৱশ্যে বিয়লি ৫ বজাৰ পাছত উদ্যানখনত প্ৰৱেশ বন্ধ কৰি দিয়া হ'ব। এই সময়ছোৱাত প্ৰতি সোমবাৰে উদ্যান বন্ধ ৰখা হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ পৰা প্ৰকাশিত বিবৃতি অনুসৰি ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আৰু ৫ ছেপ্তেম্বৰত শিক্ষক দিৱস উপলক্ষে এই দুটা দিনত ক্ৰমে ক্ৰীড়াবিদ আৰু শিক্ষকসকললৈ উদ্যানত বিশেষ প্ৰৱেশৰ সুবিধা প্ৰদান কৰা হ'ব। উদ্যানত প্ৰৱেশ আৰু প্ৰস্থানৰ বাবে নৰ্থ এভিনিউ পথৰ সমীপত থকা ৩৫ নম্বৰ দ্বাৰ ব্যৱহাৰ কৰিবলৈ জনসাধাৰণক বিবৃতিযোগে আহ্বান জনোৱা হৈছে। ৰাষ্ট্ৰপতি ভৱনৰ ৱেবছাইটৰ জৰিয়তে উদ্যান পৰিদৰ্শনৰ সময় আগতীয়াভাৱে পঞ্জীয়ন কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হৈছে।

০০০০০০০

বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সংসদৰ বৰ্ষাকালীন অধিবেশন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰাখিবলগীয়া হোৱাত অসামৰিক বিমান পৰিবহনৰ দৰে অভিলাষী খণ্ডসমূহৰ সৈতে জড়িত বিষয়সমূহক লৈ সদনত বিশদভাৱে আলোচনা কৰিব পৰা নগ'ল বুলি অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডুৱে মন্তব্য কৰিছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে সদনৰ মজিয়াত অসামৰিক বিমান পৰিবহন খণ্ডৰ সৈতে জড়িত ২৮টা তৰাযুক্ত প্ৰশ্নৰ উত্তৰ দিবলৈ তেওঁ আগ্ৰহেৰে বাট চাই আছিল। এই সংখ্যা ২০১৩ বৰ্ষৰ বৰ্ষাকালীন অধিবেশনৰ সময়ছোৱাত সোধা ১৪টা তৰাযুক্ত প্ৰশ্নৰ তুলনাত প্ৰায় দুগুণ বুলি শ্ৰীনাইডুৱে উল্লেখ কৰে।

০০০০০০০

সমগ্ৰ দেশে কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ প্ৰাচীৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব আৰু ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

০০০০০০০

সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্টকাললৈ স্থগিত ৰখাৰ পাছত কালি বৰ্ষাকালীন অধিবেশনৰ সামৰণি পৰে। যোৱা ২০ জুলাইত আৰম্ভ হোৱা সংসদৰ এই ২৫ দিনীয়া বৰ্ষাকালীন অধিৱেশনৰ সময়ছোৱাত মুঠ ১৯ দিন বৈঠক অনুষ্ঠিত হয়। অধিৱেশনৰ সময়ছোৱাত বিভিন্ন আইনী আৰু ৰাষ্ট্ৰীয় বিষয়ক লৈ আলোচনা অনুষ্ঠিত হয়। ৰাজ্যসভাৰ কাম-কাজ অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখাৰ পূৰ্বে দিয়া সামৰণি মন্তব্যত উচ্চ সদনৰ সভাপতি চি পি ৰাধাকৃষ্ণণে সদনৰ কাম-কাজ বাৰে বাৰে ব্যাহত হোৱাক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয়, যে সদনৰ মজিয়া সকলোৰে বাবে খোলা যদিও সদস্যসকলে জনসাধাৰণৰ বিষয়সমূহ উত্থাপন কৰাৰ বাবে লাভ কৰা সুযোগৰ পূৰ্ণ ব্যৱহাৰ কৰাত ব্যৰ্থ হোৱাটো দুখৰ কথা। সদনে অৱশ্যে অধিৱেশনৰ সময়ছোৱাত ১২ খনকৈ বিধেয়ক গ্ৰহণ কৰি ইয়াৰ বিধায়িনী দায়িত্ব পালন কৰিবলৈ সমৰ্থ হয় বুলি সভাপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰী ৰাধাকৃষ্ণণে কয়, যে অধিৱেশনৰ সময়ছোৱাত মাত্ৰ ৩৭ ঘণ্টা আৰু ৪৯ মিনিটতহে কাম-কাজ হয় আৰু সেই অনুসাৰে অধিৱেশনৰ সময়ছোৱাত কাম-কাজৰ হাৰ ৩৯ দশমিক ১ - ৭ শতাংশ হৈছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডা, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে কালি হৰ ঘৰ তিৰংগা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে এই অভিযানে প্ৰতিগৰাকী ভাৰতীয়ৰ হৃদয়ত দেশপ্ৰেমৰ ভাৱনা আৰু গৌৰৱবোধক অধিক শক্তিশালী কৰি তুলিছে। নতুন দিল্লীৰ নিজৰ বাসগৃহৰ পৰা এই অভিযানত অংশগ্ৰহণ কৰি শ্ৰী শ্বাহে কয়, যে দেশৰ কোটি কোটি নাগৰিক ত্ৰিৰংগ পতাকাৰ সৈতে একাত্ম হৈ এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ মনোভাৱক সুদৃঢ় কৰিছে।

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান মৰ্মে সমগ্ৰ দেশে হৰ ঘৰ তিৰংগা অভিযান উদযাপন কৰিছে। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰেও নিজৰ সামাজিক মাধ্যমৰ একাউণ্টত ৰাষ্ট্ৰীয় পতাকাৰ সৈতে তোলা এখন আলোকচিত্ৰ শ্বেয়াৰ কৰিছে।

০০০০০০০

আজি বিভাজন বিভীষিকা স্মৃতি দিৱস। এই উপলক্ষে দেশজুৰি ১৯৪৭ চনত দেশ বিভাজনৰ সময়ত প্ৰাণ হেৰুওৱা আৰু অসহনীয় বেদনাৰ সন্মুখীন হোৱা সকলো লোকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হৈছে। কেন্দ্ৰীয় পৰ্যটন আৰু সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে বিভাজন বিভীষিকা স্মৃতি দিৱসৰ প্ৰাক্-সন্ধিয়া কালি নতুন দিল্লীত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে বিভাজনৰ বিভীষিকাৰ সন্মুখীন হোৱা লোকসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তেওঁ কয় যে ইতিহাসৰ কথা মনত ৰাখি দেশৰ একতা, সংহতি আৰু সামাজিক সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

0000000

কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলীকৰণ দপ্তৰৰ মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰে আজি নতুন দিল্লীত হ'বলগীয়া ৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক পৰিষদৰ পঞ্চমলানি বৈঠকত অধ্যক্ষতা কৰিব। বৈঠকত পৰিষদে জ্যেষ্ঠ নাগৰিকৰ কল্যাণৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহক লৈ আলোচনা কৰিব। সামাজি ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বৈঠকত হোৱা আলোচনাই জ্যেষ্ঠ নাগৰিকৰ বাবে মৰ্যাদাপূৰ্ণ, সুৰক্ষিত আৰু সুখী জীৱন সুনিশ্চিত কৰাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত স্নেহা - প্ৰতিপালন, সহযোগিতা, আনন্দ আৰু সক্ৰিয় বৃদ্ধাৱস্থাৰ কাহিনী নামৰ এখন ই-বুক উন্মোচন কৰা হ'ব।

0000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু লাইবেৰিাৰ বিদেশ মন্ত্ৰী চাৰা বেইচ'ল ন্যানটিয়ে কালি নতুন দিল্লীত এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী নেতা ভাৰত-লাইবেৰিয়াৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিষয়টোৰ লগতে প্ৰযুক্তি, কৃষি, স্বাস্থ্যস ঋণ, শক্তি, বাণিজ্য আৰু বিনিয়োগ, শিক্ষা, সামৰ্থ্য বিকাশ আৰু জনসাধাৰণৰ মাজত বিনিময় আদি বিষয়ত আলোচনা কৰে। ইয়াৰ লগতে তেওঁলোকে পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু বহুপক্ষীয় বিষয়ৰ ওপৰতো মত-বিনিময় কৰে। ড০ জয়শংকৰে নতুন দিল্লীত লাইবেৰিয়াৰ দূতাবাস উদ্বোধন আৰু মুকলি কৰাৰ বাবে বৈদেশিক মন্ত্ৰী ন্যানটিক অভিনন্দন জনায়। দুয়োগৰাকী মন্ত্ৰীযে শান্তি, উন্নয়ন আৰু গ্লোবেল ছাউথৰ শক্তিশালী কণ্ঠক প্ৰসাৰিত কৰাৰ বাবে বহুপক্ষীয় মঞ্চত সহোগিতা অধিক শক্তিশালী কৰাৰ বিষয়টোৰ ওপৰতো আলোচনা কৰে।

0000000

নেপালৰ ৰোলপা জিলাত হোৱা ভূমিস্খলনৰ ফলত কমেও ৭জন লোক নিহত হোৱাৰ লগতে আন ৫জন লোক নিৰুদ্দেশ হৈছে। বুধবাৰে সন্ধিয়া কাঠমাণ্ডুৰ পৰা ৪৫০ কিলোমিটাৰ পশ্চিম অৱস্থিতথাবাং গ্ৰাম্য পৌৰসভাৰ কোটালবাৰা গাঁৱত হোৱা প্ৰচণ্ড বৰষুণৰ ফলত এই ভূমিস্খলন হয়। উপ-আৰক্ষী অধীক্ষক শৈলেন্দ্ৰ থাপাৰ তথ্য অনুসৰি কালি পুৱা ৭টা মৃতদেহ উদ্ধাৰ কৰা হয়। ঘটনাত আহত দুজন লোকক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। এই ঘটনাত দুগৰাকী বৃদ্ধ মহিলা আৰু তিনিগৰাকী বৃদ্ধ পুৰুষ নিৰুদ্দেশ হয়। নেপালৰ সেনা আৰু আৰক্ষী জোৱানসকলৰ অনুসন্ধা আৰু উদ্ধাৰ অভিযান অব্যাহত আছে।

0000000

অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডুৱে কালি বিজয়ৱাড়া আৰু বাৰানসীৰ মাজত প্ৰত্যক্ষ বিমান সংযোগ মুকলি কৰে। সামাজিক মাধ্যমত এটা পোষ্টত শ্ৰীনাইডুৱে কয় যে, এই পদক্ষেপে শ্ৰী কনক দুৰ্গা আম্মা আৰু বাবা কাশী বিশ্বনাথ মন্দিৰৰ মাজত তীৰ্থ যাত্ৰাৰ পৰ্যটনক অধিক শক্তিশালী কৰিব। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আল্লুৰী সীতাৰামা ৰাজু ভোগাপুৰম বিমানবন্দৰৰ উদ্বোধন

কৰাৰ পাছত বিজয়ৱাড়া ৰাজহমুন্দ্ৰী আৰু কদাপাৰ নতুন বিমান বন্দৰৰ টাৰ্মিনেলৰ কাম সম্পূৰ্ণ হোৱাৰ পথত।

0000000

স্কোৱাড্ৰন লীডাৰ ভাৱনা কান্তে গোৱালিয়ৰস্থিত সামৰিক তথা বিমান যুদ্ধ বিকাশ প্ৰতিষ্ঠানৰ পৰা ফাইটাৰ কম্বেট লীডাৰ হিচাপে যোগ্যতা অৰ্জন কৰা বায়ুসেনাৰ প্ৰথম মহিলা বিষয়া হিচাপে ইতিহাস ৰচনা কৰিছে। বায়ুসেনাই সামাজিক মাধ্যমযোগে এই বিষয়ে সদৰি কৰি ভাৱনাৰ দক্ষতা আৰু সমৰ কৌশলৰ ভূয়সী প্ৰশংসা কৰিছে।

0000000

সমাপ্ত